*Total number of pages : 8*

**20E ANTH**

# 2020

# ANTHROPOLOGY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | | |
|---|---|---|
| *Q. No.* ***1 (a)*** *carries* ***1*** *mark each* | 1×5 = | 5 |
| *Q. No.* ***1 (b)*** *carries* ***1*** *mark each* | 1×7 = | 7 |
| *Q. Nos.* ***2–13*** *carry* ***2*** *marks each* | 2×12 = | 24 |
| *Q. Nos.* ***14–22*** *carry* ***4*** *marks each* | 4×9 = | 36 |
| *Q. No.* ***23*** *carries* ***6*** *marks each* | 6×1 = | 6 |
| *Q. No.* ***24*** *carries* ***4*** *marks each* | 4×1 = | 4 |
| *Q. Nos.* ***25–27*** *carry* ***6*** *marks each* | 6×3 = | 18 |
| | Total = | 100 |

1. (a) Choose the correct answer : 1×5=5

শুদ্ধ উত্তৰ নিৰ্বাচন কৰা ঃ

(i) The formal teaching of Anthropology in India began in the University of Bombay/University of Calcutta in 1920.

ভাৰতত ১৯২০ চনত নৃতত্ত্ব অধ্যয়নৰ পাতনি বোম্বাই বিশ্ববিদ্যালয়ত/কলিকতা বিশ্ববিদ্যালয়ত মেলা হয়।

(ii) A human foot consists of 24/25/26 number of bones.

মানৱ পদ মুঠ ২৪/২৫/২৬ ডাল হাড়ৰ দ্বাৰা গঠিত।

(iii) The author of 'Primitive Culture' is Sir James Frazer/E. B. Tylor/Raymond Firth.

'প্ৰিমিটিভ কালচাৰ' নামৰ গ্ৰন্থখনৰ লেখক হৈছে ছাৰ জেমছ্ ফ্ৰেজাৰ/ই. বি. টাইলৰ/ৰেমণ্ড ফাৰ্থ।

(iv) Gibbon belongs to the family of Hylobatidae/Pongidae/Hominidae.

গিবন হাইল'বেটিডি/পংগিডি/হ'মিনিডি পৰিয়ালৰ অন্তৰ্গত।

(v) Folk belief/ornament/musical instrument/is an example of non-material culture.

লোক-বিশ্বাস/অলংকাৰ/বাদ্যযন্ত্ৰ এবিধ অবস্তুগত সংস্কৃতিৰ উদাহৰণ।

(b) Answer the following questions : 1×7=7

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা ঃ

(i) Provide a definition of Anthropology.

নৃতত্ত্বৰ এটি সংজ্ঞা দাঙি ধৰা।

(ii) What is a suture?

সীৰন মানে কি বুজা?

(iii) Name a monkey species that belongs to Cercopithecinae.

চাৰক'পিথেচিনি অন্তৰ্গত এবিধ বান্দৰ প্ৰজাতিৰ নাম লিখা।

(iv) Provide a definition of society.

সমাজৰ সংজ্ঞা দিয়া।

(v) Name the culture associated with the Neanderthal man.

নিয়ান্‌ডাৰথেল মানৱৰ সৈতে জড়িত সংস্কৃতিৰ নাম লিখা।

(vi) What do you understand by social institution?

সামাজিক অনুষ্ঠান বুলিলে কি বুজা?

(vii) Name *two* books written by Charles Darwin.

চাৰ্লচ ডাৰউইনে লিখা *দুখন* গ্ৰন্থৰ নাম লিখা।

2. Differentiate between Applied Anthropology and Action Anthropology. 2

প্ৰায়োগিক নৃতত্ত্ব আৰু ক্ৰিয়া নৃতত্ত্বৰ পাৰ্থক্য লিখা।

3. Highlight *two* main objectives of studying Physical Anthropology. 2

আবয়বিক নৃতত্ত্ব অধ্যয়নৰ *দুটা* মূল উদ্দেশ্য লিখা।

4. Mention *two* animals that belong to the order Edentata. Highlight *two* characteristic features of Eutheria. 1+1=2

ইডেনটাটা অৰ্ডাৰৰ *দুটা* প্ৰাণীৰ নাম লিখা। ইউথেৰিয়া প্ৰাণীৰ *দুটা* বিশেষ লক্ষণ উল্লেখ কৰা।

5. What is a vertebra? How many bones constitute the vertebral column of man? 1+1=2

কশেৰুকা মানে কি? মানুহৰ মেৰুদণ্ডডাল কেইডোখৰ হাড়েৰে গঠিত?

6. What is bregma? Mention the bones joined by the coronal suture. 1+1=2

ব্রেগমা কি? ললাটিকা সীৱনে লগ-লগোৱা হাড়কেইডালৰ নাম লিখা।

7. What do you understand by Artifact and Ecofact? 1+1=2

Artifact আৰু Ecofact মানে কি বুজা?

8. Write the dental formulae of human milk teeth and permanent teeth. 1+1=2

মানুহৰ গাখীৰ দাঁত আৰু স্থায়ী দাঁতৰ সূত্র লিখা।

9. Mention *two* important physical characters of Gibbon. Name a continent where they are found. 1+1=2

গিবনৰ *দুটা* শাৰীৰিক বৈশিষ্ট্য উল্লেখ কৰা। গিবন বাস কৰা এখন মহাদেশৰ নাম লিখা।

10. Define 'Culture' as provided by E. B. Tylor. 2

ই. বি. টাইলৰৰ সংস্কৃতিৰ সংজ্ঞাটো লিখা।

11. What is a Prehistoric site? 2

প্ৰাগৈতিহাসিক ক্ষেত্র মানে কি?

12. What do you understand by community? 2

সম্প্ৰদায় বুলিলে কি বুজা?

13. Mention *two* social groups based on kinship. 1+1=2

স্বজনতাৰ ভিত্তিতে প্ৰতিষ্ঠিত *দুটা* সামাজিক গোটৰ নাম উল্লেখ কৰা।

14. Provide a brief account on Lamarck's theory of organic evolution. 4

লেমাৰ্কৰ জৈৱ-বিবৰ্তন সূত্ৰৰ ওপৰত এটি চমু টোকা লিখা।

15. What do you understand by Hominidae? Show *three* differences between Platyrrhine and Catarrhine monkeys. 1+3=4

হ'মিনিডি বুলিলে কি বুজা? প্লেটিৰাইন আৰু কেটাৰাইন বান্দৰৰ *তিনিটা* পাৰ্থক্য উল্লেখ কৰা।

16. Highlight the aim of studying Prehistoric Anthropology. 4

প্ৰাগৈতিহাসিক নৃতত্ত্ব অধ্যয়নৰ উদ্দেশ্য উল্লেখ কৰা।

17. What do you understand by Absolute and Relative dating methods? 2+2=4

পৰম আৰু আপেক্ষিক কাল নিৰ্ণয় প্ৰণালী বুলিলে কি বুজা?

18. Distinguish between material and non-material cultures. 4

বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ মাজৰ পাৰ্থক্য দেখুওৱাঁ।

19. In what way the primate classification by Linnaeus and Simpson differ? Give the classification of Pongidae. 2+2=4

লিনিয়াছ আৰু ছিম্‌পছনে কৰা প্ৰাইমেটৰ শ্ৰেণীবিভাজন কি দৰে বেলেগ? পংগিডিৰ শ্ৰেণীবিভাজন কৰা।

20. Write short notes on ***any two*** of the following : 2+2=4

চমু টোকা লিখা ঃ *(যিকোনো দুটা)*

*(a)* Social Anthropology

সামাজিক নৃতত্ত্ব

*(b)* Simple Society

সৰল সমাজ

*(c)* Lineage

বংশগোষ্ঠী

*(d)* Family

পৰিয়াল

21. Describe the effects of Glacial and Inter-Glacial periods. 4

তুষাৰ আৰু অন্তৰাতুষাৰ যুগৰ ফলাফল সমূহ বৰ্ণনা কৰা।

22. Mention *four* important features of the skull of *Australopithecus africanus* or *Pithecanthropus erectus.* 4

*অষ্ট্ৰেল'পিথেকাছ আফ্ৰিকেনাচ* বা *পিথেকান্থ্ৰপাছ ইৰেক্টাছৰ* লাওখোলাৰ *চাৰিটা* বিশেষ লক্ষণ উল্লেখ কৰা।

23. Describe briefly the scope of Anthropology. Discuss its relationship with biology. 4+2=6

নৃতত্ত্বৰ পৰিসৰৰ চমু বৰ্ণনা দিয়া। জীৱবিজ্ঞান আৰু নৃতত্ত্বৰ সম্বন্ধ আলোচনা কৰা।

24. Show a comparison between human society and non-human society. 4

মানৱ সমাজ আৰু ইতৰ সমাজৰ মাজত পাৰ্থক্য দেখুওৱা।

25. Discuss Charles Darwin's theory of organic evolution. 6

চাৰ্লচ ডাৰউইনৰ জৈৱ বিৱৰ্তন সূত্ৰটো আলোচনা কৰা।

26. Highlight the relationship between Prehistoric Anthropology and Archaeology. 6

প্ৰাগৈতিহাসিক নৃতত্ত্ব আৰু পুৰাতত্ত্বৰ সম্বন্ধ উল্লেখ কৰা।

27. What do you understand by Physical Environment? Elaborate the influence of physical environment on cultural citing proper examples. 2+4=6

প্ৰাকৃতিক পৰিবেশ বুলিলে কি বুজা? সংস্কৃতিৰ ওপৰত প্ৰাকৃতিক পৰিবেশৰ প্ৰভাৱ উচিত উদাহৰণসহ বুজাই লিখা।

———×———